# এলে বেলে MBA পাছ


দেৱজিৎ ভূঞা



## চতুৰ্দশ অধ্যায়

**এ**সময়ত এখন গাঁৱত এজন কুমাৰ আছিল। এবাৰ দেৱালীৰ সময়ত কুমাৰজনে বজাৰত বিক্ৰী কৰিবৰ বাবে বহুতো গণেশ আৰু লক্ষ্মীৰ মূৰ্তি তৈয়াৰ কৰিলে আৰু এদিন বজাৰত বিক্ৰী কৰিবৰ বাবে নিজৰ গাধটোৰ ওপৰত মূৰ্তিবোৰ বোজাই কৰি বজাৰলৈ বুলি ওলাই গ'ল। ৰাস্তাত যাওঁতে যি মানুহেই মূৰ্তিসহ গাধটোক দেখা পালে নমস্কাৰ কৰিলে নতুবা সেৱা জনালে। এই ঘটনাত গাধটো গপতে ওফন্দি পৰিল আৰু ভাবিলে যে মানুহে তাক সন্মান জনাই প্ৰশংসা কৰিছে, পূজা কৰিছে। বজাৰত মূৰ্তিসমূহ বিক্ৰী কৰি কুমাৰজন খালী গাধটো লৈ ঘৰলৈ বুলি বাট ল'লে। কিন্তু এইবাৰ ৰাস্তাত কোনো মানুহে গাধটোলৈ চাই নমস্কাৰ বা সেৱা নজনালে। মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে গাধটোৱে ৰাস্তাৰ মাজতে থিয় হৈ বেবাবলৈ ধৰিলে। ভাবিলে এতিয়া মানুহে তাক তাৰ শব্দ শুনি পুনৰ নমস্কাৰ আৰু সন্মান জনাব। কিন্তু যেতিয়া তাৰ বেবনি অধিক হৈ পৰিল ওচৰৰ মানুহে তাৰ গালৈ শিলগুটি দলিয়াবলৈ ধৰিলে আৰু খেতিয়কজনেও গাধটো পগলা হোৱা বুলি তাক ভালকৈ মাধমাৰ দিলে। বেচেৰা গাধটোৱে বুজাই নাছিল যে বজাৰলৈ যাওঁতে মানুহে তাক নহয় বৰঞ্চ তাৰ পিঠিত নিয়া মূৰ্তিসমূহকহে নমস্কাৰ আৰু সেৱা জনাইছিল। আমাৰ অনুষ্ঠান আৰু প্ৰতিষ্ঠানবোৰত বা সমাজত উচ্চপদত থকা বহু লোকেই এই ভুল কৰে। তেওঁক আগে-পিচে চালাম কৰি থকা আৰু তেলিয়াই থকা, তোষামোদ কৰা মানুহবোৰক দেখি তেওঁ ভাবে যে মানুহবোৰে তেওঁক সন্মান কৰে, নমস্কাৰ কৰে। কিন্তু তেওঁ পাহৰি যায় যে মানুহে তেওঁক নহয়, তেওঁৰ চকীখনকহে নমস্কাৰ কৰে বা তোষামোদ কৰে। যিদিনাই তেওঁ চকীৰ পৰা অপসাৰিত হয় তেওঁৰ অৱস্থাও গাধটোৰ দৰে হয়। প্ৰকৃত সন্মান, মৰম, ভালপোৱা পাবলৈ হ'লে তেওঁ মানুহৰ সেৱা কৰিব লাগিব, সমাজৰ বাবে, দেশৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰিব লাগিব। নিজৰ সমাৰ্থ্যৰে ক্ষমতাত থাকোতে যদি মেনেজাৰ এজনে সকলোৰে বাবে বা প্ৰতিষ্ঠানটোৰ উন্নতি তথা প্ৰগতিৰ বাবে কাম নকৰে তেওঁ কেতিয়াও এজন ভাল মেনেজাৰ বা নেতা হ'ব নোৱাৰে।

মানুহে কি কাম কৰিছে তাৰ দ্বাৰা তেওঁৰ প্ৰকৃত পৰিচয় সমাজত প্ৰতিষ্ঠা নহয়, বৰঞ্চ তেওঁ কেনেদৰে নিজৰ কাম কৰিছে তাৰ দ্বাৰাহে তেওঁৰ পৰিচয় প্ৰতিষ্ঠা হয় আৰু মানুহৰ হৃদয়ত স্থান লাভ কৰে। আমি স্কুলত পঢ়া দিনত আমাৰ সৰু ঠাইখনত যাতায়াতৰ বাবে চাৰি-পাঁচখনমান ৰিক্সাহে আছিল। সেই ৰিক্সাচালকসমূহৰ মাজত এজন ৰিক্সাচালক আছিল নাগিনা। গোটেই অঞ্চলটোত নাগিনাক নামেৰে সৈতে চিনি নোপোৱা মানুহ খুব কমেই আছিল। সেই সময়ৰ বাকী ৰিক্সাচালকবোৰৰ নাম নতুবা মনৰ মাজত থকা ছবি কেতিয়াবাই নাইকিয়া হ'ল। কিন্তু তাৰ মাজত নাগিনাৰ নাম আমাৰ মনত চিৰদিনৰ বাবে থাকি গ'ল। ইয়াৰ কাৰণ হ'ল নাগিনাৰ ব্যৱহাৰ আৰু সময়ানুৱৰ্তিতা। মেট্ৰিক পৰীক্ষা বা আন কোনো পৰীক্ষাই হওক নাগিনাক বহু মাহৰ আগতে বুক নকৰিলে পোৱাৰ কোনো সম্ভাৱনাই নাই। থিয়েটাৰৰ দিনত নাগিনাৰ ৰিক্সা এসপ্তাহৰ আগতে বিচৰাতো পৰ্বতত কাছকণী বিচৰাৰ দৰে। নাগিনাৰ হাতত কোনোদিনেই ঘড়ী দেখা নাছিলো, কিন্তু কোনোদিনেই নাগিনাক দেৰি হোৱা দেখা নাই। কোনোদিনেই নাগিনাৰ মুখত বিৰক্তি বা আপত্তি দেখা নাই। আমাৰ সমাজত এতিয়াও বহুতো শিক্ষিত মানুহে সময়ৰ মূল্য নাজানে, নিজৰ কাম ভালদৰে পালন কৰিব নাজানে, কিন্তু আজিৰ পৰা ৩৫-৪০ বছৰ আগতে অশিক্ষিত নাগিনাই কেনেদৰে সমাজত নিজৰ স্থান পাইছিল ভাবিলে এতিয়াও ভাল লাগে। আজিও আমি নাগিনাক সুঁৱৰি নাগিনাৰ কথা মনত পেলাওঁ। কিন্তু সেই সময়ত লগ পোৱা বহুতো উচ্চপদস্থ বিষয়া বা কৰ্মচাৰীৰ কোনো স্মৃতিয়েই আমাৰ মনত নাই। সেয়ে মানুহে জীৱনত কি কাম কৰে তাতকৈ কেনেকৈ সেই কাম সম্পাদন কৰে সেয়া অধিক গুৰুত্বপূৰ্ণ।



কৰ্মই ধৰ্ম। এই কথাষাৰ আমি উপলব্ধি কৰি যদি কাম কৰি যাওঁ তেন্তে জীৱনত কৃতকাৰ্য নোহোৱাৰ নতুবা ভাল ফল লাভ নকৰাৰ কোনো প্ৰশ্নই নুঠে। কেৱল দৰমহাৰ বাবে নতুবা প্ৰমোচনৰ বাবে নতুবা পুৰস্কাৰৰ বাবে কাম কৰিব খুজিলে তেনে কাম কেতিয়াও efficient বা perfect হ'ব নোৱাৰে। কামৰ সময়ত কাম কৰাটোৰ আনন্দ আৰু তাৰ ফলাফল চোৱাৰ আনন্দ বুজিব বা



উপলব্ধি কৰিব পাৰিব লাগিব। কেৱল ফলাফলৰ আশাত কাম কৰিলেও বা ফলাফল কি হ'ব বুলি ভাবি কাম আৰম্ভ কৰাৰ পৰিৱৰ্তে সম্পূৰ্ণ নিষ্ঠা আৰু এশ শতাংশ মনোযোগ আৰু ধ্যান দি কাম কৰিলেহে উৎকৃষ্ট কাম হয় আৰু ফলাফল বা end result automatically ভাল হয়। এসময়ত এজন বিল্ডাৰ ঠিকাদাৰৰ এজন সুদক্ষ মিস্ত্ৰী আছিল। বহু বছৰ কাম কৰাৰ পিচত সুদক্ষ মিস্ত্ৰীজনে অৱসৰ লোৱাৰ কথা ভাবিলে। তেওঁৰ মালিকক কথাটো অৱগত কৰিলে। সুদক্ষ মিস্ত্ৰীজন যাবলৈ ওলোৱাত বিল্ডাৰজনৰ মনত দুখ লাগিল আৰু মিস্ত্ৰীজনৰ অৱদানৰ কথা ভাবি মিস্ত্ৰীজনক এটা ভাল পুৰস্কাৰ দিয়াৰ কথা ভাবিলে। তেওঁ মিস্ত্ৰীজনক অনুৰোধ কৰিলে যে তেওঁ যেন বিল্ডাৰজনৰ কাৰণে এটা শেষ ঘৰ নিৰ্মাণ কৰে। মিস্ত্ৰীজনে অনিচ্ছা সত্বেও তেওঁৰ জীৱনৰ শেষ ঘৰ বনোৱা কামটোত হাত দিলে। কিন্তু কামটোত মিস্ত্ৰীজনে আগৰ দৰে মনোযোগ নিদিলে আৰু সাধাৰণভাৱে অতি নিম্নমানৰ quality ৰ ঘৰ এটা নিৰ্মাণ কৰি উলিয়ালে। এদিন যেতিয়া মিস্ত্ৰীজনে মালিকক ঘৰটো সম্পূৰ্ণ হোৱা বুলি কৈ ঘৰৰ চাবিপাট দিবলৈ আহিল তেতিয়া বিল্ডাৰজনে চাবিপাট লৈ তেওঁৰ সকলো কৰ্মচাৰীকে মিস্ত্ৰীজনক বিদায় জনাবৰ বাবে মাতিলে। সকলো কৰ্মচাৰীৰ উপস্থিতিত বিল্ডাৰজনে নতুন ঘৰটোৰ চাবিপাট মিস্ত্ৰীজনৰ হাতত তুলি দি ক'লে— এয়া মোৰ ফালৰ পৰা জীৱনজোৰা ভাল কাম কৰাৰ বাবে এওঁলৈ উপহাৰ আৰু কৃতজ্ঞতাৰ স্বৰূপ। এই কথাত মিস্ত্ৰীজন চক খাই উঠিল আৰু নিজৰ কৃতকৰ্মৰ বাবে লাজো পালে। তেওঁ যদি জানিলেহেঁতেন যে সেই ঘৰটো তেওঁ নিজৰ বাবেই বনাই আছে তেতিয়াহ'লে কেতিয়াও এনে নিম্নমানৰ ঘৰ নবনালেহেঁতেন। কিন্তু এতিয়া আৰু পুনৰ ঘূৰি গৈ নতুনকৈ ঘৰটো বনোৱাৰ সময় নাই। এজন দক্ষ মিস্ত্ৰীৰ কাম তেওঁ শেষ দিনালৈকে তেওঁৰ কাম দক্ষভাৱে কৰাটো আৰু নিজকে ফাঁকি নিদিয়াকৈ জীৱনভৰ কাম কৰি যোৱাটো। মানুহৰ জীৱনটোও এটা do it yourself project. আমি নিজৰ ঘৰটো ক'ব নোৱৰাকৈয়ে বনাই যাওঁ আৰু জীৱনৰ শেষ বয়সতহে গম পাওঁ আমি কেনে এটা জীৱনত উপস্থিত হৈছোগৈ। আমি যদি প্ৰথমৰে পৰা ঘৰটো ভালদৰে বনাওঁ, তেন্তে নিশ্চয় এটা ভাল ঘৰ অৰ্থাৎ এটা ভাল অৰ্থৱহ জীৱনত উপনীত হ'ম।

আমি সদায়ে সকলো কামৰে ফলাফল বিচৰাধৰণে পাব খোজো। কিন্তু বহু সময়ত আমি সেয়া হাততে পায়ো এইবাবেই হেৰুৱাবলগীয়া হয় যে ফলাফল আমি বিচৰাৰ দৰে packeged হৈ অহা নাই। এসময়ত আমেৰিকাত এজন ধনী গুজৰাটী ব্যৱসায়ী আছিল। ব্যৱসায়ীজনৰ এজন ল'ৰা আছিল আৰু ল'ৰাজনে এদিন গাড়ীৰ showroomত এখন সুন্দৰ 'স্প'ৰ্টছ কাৰ' দেখা পালে। তেওঁ বাপেকক গৈ বাৰে বাৰে গাড়ীখনৰ কথা ক'লে আৰু গাড়ীখন পোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। বাপেকে ক'লে যে আগতে তুমি graduation সম্পূৰ্ণ কৰা। ল'ৰাজনে graduation সম্পূৰ্ণ কৰি চাৰ্টিফিকেট লৈ বাপেকৰ ওচৰলৈ আহিল। বাপেকে অতিশয় আনন্দিত হৈ পুতেকক ক'লে— তুমি কাইলৈ মোৰ অফিচলৈ যাবা, তোমাক এটা ভাল উপহাৰ দিম। পিচদিনা পুতেক বাপেকৰ ওচৰলৈ গ'ল আৰু বাপেকে পুতেকক এটা বাকচ উপহাৰ দিলে। ঘৰলৈ গৈ পুতেকে বাকচটো খুলি দেখিলে তাৰ ভিতৰত এখন ভাগৱত গীতা আছে। পুতেকৰ ইমান খং উঠিল যে বাকচটো ঘৰতে থৈ ঘৰ এৰি গুচি গ'ল। কৃপণ বুঢ়াই ইমান টকা থকাৰ পিচতো মোক মই বিচৰা গাড়ীখন নিদি এখন ভাগৱত গীতা উপহাৰ দিছে। পুতেকে আমেৰিকাৰ আন এখন ৰাজ্যলৈ গৈ ব্যৱসায় কৰি ব্যৱসায়ত কৃতকাৰ্য হৈ বিয়া-বাৰু কৰাই নিজৰ পৰিয়ালসহ সুখেৰে থাকিবলৈ ল'লে। বহু বছৰৰ পিচত তেওঁ এদিন উপলব্ধি কৰিলে যে তেওঁৰ দেউতাক এতিয়া নিশ্চয় অতিশয় বুঢ়া হ'ল আৰু মৃত্যুপথৰ যাত্ৰী। সেয়ে তেওঁ এবাৰ দেউতাকক দেখা কৰা উচিত। কিন্তু এনেদৰে ভবাৰ সময়তে তেওঁ এখন টেলিগ্ৰাম পালে যে তেওঁৰ দেউতাকৰ মৃত্যু হৈছে আৰু তৎক্ষণাৎ তেওঁ ঘৰলৈ আহিব লাগে আৰু বাপেকৰ সকলো ব্যৱসায়-বাণিজ্য তথা সম্পত্তি চমজি ল'ব লাগে। কাৰণ বাপেকে সকলো তেওঁৰ নামত লিখি থৈ গৈছে। টেলিগ্ৰাম পাই তেওঁ ততাতৈয়াকৈ নিজৰ পুৰণি ঘৰলৈ ৰাওনা হ'ল। ঘৰ পাই তেওঁৰ মনটো দুখেৰে ভৰি পৰিল। বাপেকৰ ৰুমলৈ গৈ দেখিলে যে টেবুলৰ ওপৰত এখন ভাগৱত গীতা পৰি আছে। সেইখন ভাগৱত গীতা যিখন দেউতাকে গ্ৰেজুৱেচনৰ সময়ত তেওঁক উপহাৰ দিছিল। উৎসুক হৈ তেওঁ ভাগৱত গীতাখন হাতত তুলি লওঁতে তাৰ মাজৰ পৰা এটা এনভেলম মজিয়াত পৰি গ'ল। পুৰণি এনভেলপটো খুলি তেওঁ দেখিলে এপাট গাড়ীৰ চাবি আৰু এখন গাড়ীৰ dealerৰ cash memo য'ত লিখা আছিল fully paid আৰু তাৰিখটো আছিল তেওঁ গ্ৰেজুৱেচন হোৱাৰ তাৰিখটো। তেতিয়া তেওঁ কান্দোনত ভাগি পৰিল। দেউতাকে যে তেওঁক ভাগৱত গীতাৰ মাজতে তেওঁ বিচৰা স্প'ৰ্টছ কাৰখনৰ চাবিপাট ভৰাই দিছিল এতিয়াহে তেওঁ গম পালে। কিন্তু এতিয়া আৰু সেই সময়লৈ ঘূৰি যোৱাটো অসম্ভৱ। নিজৰ ভুলত অনুতাপ কৰি কৰি দিন কটোৱাৰ বাহিৰে এতিয়া উপায় নাই। বহু সময়ত আমি আমাৰ হাতলৈ অহা সুযোগ-সুবিধাবোৰ ভালদৰে চকু মেলি নাচাওঁ বা মনোযোগ দি নাচাওঁ। কাৰণ সেইবোৰ আমি বিচৰা ধৰণে আমাৰ সন্মুখলৈ নাহে।

সুযোগ কেতিয়াবা এনেদৰে আহে যে আমি তাক সঁচা বুলি ভাবি কাম কৰি আগুৱাই যাবলৈ দ্বিধাবোধ কৰো। সেয়ে হয়তো কোৱা হয় যে opportunity comes in disguise. এবাৰ তথাগত বুদ্ধই এখন চহৰ ভ্ৰমণ কৰিবলৈ গৈছিল। তেওঁৰ লগে লগে বহুতো মানুহ চহৰখনৰ ৰাস্তাৰে খোজকাঢ়ি গৈ আছিল। এনেতে এগৰাকী গৃহিণীয়ে এটা মৰা নিগনি ৰাস্তালৈ দলিয়াই দিলে। মৰা নিগনিটো দেখি তথাগত বুদ্ধই ক'লে— এই নিগনিটো সুভাগ্যৰ ৰাস্তা। যিয়েই এই নিগনিটো উঠাই লৈ যাব তেৱেঁই এদিন বহুত ডাঙৰ সদাগৰ হ'ব। এই কথা শুনি এজন যুৱকে উৎসুকবশতঃ নিগনিটো উঠাই ল'লে। কিছু সময় পিচত সেই ৰাস্তাৰে এজন সদাগৰ আহিল। সদাগৰজনৰ এটা মৰমৰ মেকুৰী আছে যিয়েই নিগনি খাই ভাল পায়। যুৱকজনৰ হাতত নিগনিটো দেখি সদাগৰজনে নিগনিটো কিনি ল'লে। নিগনি বেচা পইচাটো পাই যুৱকজন বজাৰৰ ফালে গ'ল আৰু দেখিলে এজন মানুহে বজাৰত ঘাঁহ বিক্ৰী কৰিবলৈ আনিছে। যুৱকজনে মানুহজনৰ পৰা ঘাঁহখিনি কিনি লৈ পিচত এজন গোৱালক অধিক দামত বেচি দিলে। এনেদৰে যুৱকজনৰ মনত ঘাঁহ আৰু গৰুৰ খাদ্য আৰু গাখীৰৰ ব্যৱসায়ৰ কথা মগজুত সোমাল। লাহে লাহে গৰুৰ খাদ্য আৰু গাখীৰৰ ব্যৱসায় কৰি যুৱকজন ধনী হ'বলৈ আৰম্ভ কৰিলে আৰু আন ব্যৱসায়তো হাত দি এজন ডাঙৰ ব্যৱসায়ী আৰু সদাগৰ হৈ পৰিল। সুযোগ কেতিয়া ক'ত লুকাই থাকে কোনেও ক'ব নোৱাৰে। এজন মেনেজাৰে লুকাই থকা সুযোগবোৰ পৰ্যালোচনা কৰি দূৰদৃষ্টিৰে অনুষ্ঠান বা প্ৰতিষ্ঠানটোক ভৱিষ্যতে প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব।

আমাৰ ৰাস্তা বা জীৱনৰ পথত থকা বাধা আমাৰ বাবে কেতিয়াবা নতুন পথৰ সন্ধান বা উন্নতিৰ জখলা হ'ব পাৰে। এসময়ত এখন ৰাজ্যত এজন ৰজা আছিল। এবাৰ ভেশছন্ন কৰি দেশ ভ্ৰমণ কৰিবলৈ গৈ ৰজাই এটা মুখ্য আলিবাটত ডাঙৰ শিল ৰাস্তাৰ মাজত ৰাখি থৈ কাষত লুকাই চাই থাকিল। বহুতো মানুহ আহিল আৰু শিলটোৰ কাষেৰে পাৰ হৈ গ'ল। তাৰ ভিতৰত ৰজাৰ বিষয়া, কৰ্মচাৰী, ডাঙৰ ব্যৱসায়ী, শিক্ষক ইত্যাদি। সকলোৱে ৰজাক ৰাস্তাৰ মাজত ডাঙৰ শিল পৰি থকা বাবে দোষাৰোপ কৰি পাৰ হৈ গুচি গ'ল। বহু সময়ৰ পিচত সেই পথেদি মেটমৰা বোজা লৈ এজন কৃষক আহিল। মাজ ৰাস্তাত এনেদৰে ডাঙৰ শিল এটা পৰি থকা দেখি কৃষকজনে ভাবিলে যে ইয়াৰ ফলত বহুতৰে অসুবিধা হৈছে। সেয়ে তেওঁ নিজৰ বোজাটো ৰাস্তাৰ দাঁতিত থৈ শিলটো আঁতৰাবলৈ চেষ্টা কৰিলে। বহু সময় কষ্ট কৰাৰ পিচত কৃষকজনে শিলটো ৰাস্তাৰ কাষলৈ নিবলৈ সক্ষম হ'ল। শিলটো আঁতৰোৱাৰ পিচত কৃষকজনে দেখিলে যে শিলটোৰ তলত এটা সৰু মোনাত বহুতো সোণৰ মুদ্ৰা আছে আৰু লগতে ৰজাৰ এটা সৰু টোকা। টোকাটোত লিখা আছিল যে যিয়েই শিলটো নিঃস্বাৰ্থভাৱে আঁতৰাই ৰাইজৰ সেৱা কৰিব তাৰ বাবে এই মুদ্ৰাকেইটা। কৃষকজনে যিটো কথা বুজি পালে সৰহসংখ্যক মানুহেই এই কথা বুজি নাপায়। আমাৰ জীৱনত অহা বহুতো বাধাৰ মাজত লুকাই থাকে সুযোগ, সুবিধা আৰু উন্নতিৰ জখলা।

এসময়ত এটা জোতা-চেণ্ডেল তৈয়াৰ কৰা কোম্পানীয়ে তেওঁলোকৰ ব্যৱসায়-বাণিজ্য সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে এটা দ্বীপলৈ বেলেগ বেলেগ দুজন মাৰ্কেটিং মেনেজাৰ পঠালে আৰু ঘূৰি আহি দুয়োগে দ্বীপটোত কোম্পানীৰ ব্যৱসায় সম্প্ৰসাৰণ কৰা উচিত হ'বনে অনুচিত হ'ব আৰু ভৱিষ্যৎ সম্ভাৱনা কেনে হ'ব সেই বিষয়ে ৰিপ'ৰ্ট দাখিল কৰিবলৈ দিলে। দ্বীপটোৰ পৰা ঘূৰি আহি এজন মাৰ্কেটিং মেনেজাৰে ৰিপ'ৰ্ট দিলে যে কোম্পানীয়ে দ্বীপটোত ব্যৱসায় কৰিবলৈ যোৱা অনুচিত। কাৰণ দ্বীপটোৰ সৰহসংখ্যক মানুহেই আদিবাসী আৰু তাত কোনেও জোতা-চেণ্ডেল নিপিন্ধে। আনজন মাৰ্কেটিং মেনেজাৰে ঘূৰি আহি ৰিপ'ৰ্ট দিলে যে কোম্পানীয়ে তৎক্ষণাৎ তালৈ ব্যৱসায় সম্প্ৰসাৰণ কৰা উচিত। তাত কোনেও জোতা-চেণ্ডেল নিপিন্ধে আৰু সেয়ে বজাৰখন এশ শতাংশ মুক্ত আৰু তাত কোনো প্ৰতিদ্বন্দ্বী কোম্পানী নাই। গতিকে আন কোনোবা কোম্পানী সোমোৱাৰ আগতে তৎক্ষণাৎ বজাৰখন দখল কৰিব লাগে। ইয়াৰ দ্বাৰাই মেনেজাৰ এজনৰ পাৰদৰ্শিতা, দূৰদৃষ্টি আৰু analysis কৰিব পৰা ক্ষমতাৰ প্ৰমাণ হয়। তাৎক্ষণিকভাৱে ভবাৰ লগতে কাম কৰাৰ লগতে মেনেজাৰ এজনে ভৱিষ্যতৰ কথাও ভাবিব পাৰিব লাগিব আৰু সেইমতে সিদ্ধান্ত ল'ব পাৰিব লাগিব। মেনেজাৰ আৰু ছুপাৰভাইজৰ এজনৰ মাজত এয়া মৌলিক পাৰ্থক্য।

সৰহসংখ্যক মানুহৰে এটা স্বভাৱ আছে যে কোনো এটা ঘটনা-পৰিঘটনা সম্পূৰ্ণ বিশ্লেষণ নকৰাকৈ তৎক্ষণাৎ নিজৰ মন্তব্য ব্যক্তি কৰে নতুবা নিজৰ সিদ্ধান্তত উপনীত হৈ কাম কৰা আৰম্ভ কৰে। কিন্তু মেনেজাৰ এজনে বা মেনেজমেণ্টৰ লগত জড়িত ব্যক্তি এজনে কোনো কথাতে তাৎক্ষণিক সিদ্ধান্ত লোৱাৰ পৰিবৰ্তে সমস্ত বিষয়, কথা জুকিয়াই পৰ্যালোচনা কৰিহে সিদ্ধান্তত উপনীত হ'ব লাগে বা হোৱা উচিত। তাৎক্ষণিক সিদ্ধান্তৰ ফলত হিতে বিপৰীত বা খাল খান্দি ঘঁৰিয়াল মতা পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। এসময়ত এজন চহকী মানুহৰ চাৰিজন পুতেক আছিল। চহকী মানুহজনে বহু কষ্ট কৰি কল-কাৰখানা আৰু সম্পত্তিৰ গৰাকী হৈছিল। কিন্তু তেওঁৰ চাৰিওজন ল'ৰাই আছিল ভালদৰে চিন্তা নকৰি তৎক্ষণাৎ সিদ্ধান্ত লোৱা স্বভাৱৰ। নিজৰ অগাধ সম্পত্তি তেওঁৰ মৃত্যুৰ পিচত চাৰিওজনে পানীত পেলাব বুলি ভাবি তেওঁ অভিজ্ঞতাৰ পৰা শিক্ষা আহৰণ কৰক বুলি চাৰিওজন পুতেকক এখন দূৰৰ জংঘললৈ পঠোৱাৰ সিদ্ধান্ত ল'লে। প্ৰথম পুতেকক তেওঁৰ জংঘলখনলৈ শীতকালত পঠালে। দ্বিতীয় পুতেকক বসন্তকালত পঠালে, তৃতীয় পুতেকক গ্ৰীষ্মকালত পঠালে আৰু চতুৰ্থ পুতেকক শৰৎ কালত পঠালে। প্ৰত্যেকেই বিভিন্ন সময়ত জংঘলখন ঘূৰি অহাৰ পিচত এদিন তেওঁ চাৰিও পুতেকক একেলগে মাতি আনিলে আৰু জংঘল বা হাবিখনৰ বৰ্ণনা দিবলৈ ক'লে। প্ৰথম পুতেকে বৰ্ণনা দিলে যে হাবিখন বৰ লঠঙা আৰু দেখাত বেয়া। গছ-গছনিবোৰ তকলা আৰু কোনো প্ৰতিশ্ৰুতি নাই। দ্বিতীয় পুতেক প্ৰথমজনৰ কথাত অমান্তি হ'ল আৰু ক'লে যে হাবিখন অতিশয় প্ৰতিশ্ৰুতিসম্পন্ন আৰু গছ-গছনি কুঁহিপাত আৰু নতুন কলিৰে ভৰা। তৃতীয়জন পুতেক অমান্তি হ'ল আৰু ক'লে যে হাবিখন সেউজীয়া আৰু ফুল ফুলি সুগন্ধৰে ভৰা। সঁচাকৈয়ে হাবিখন অতিশয় মনোমোহা। চতুৰ্থজন পুতেক ইয়াত অমান্তি হ'ল আৰু ক'লে হাবিখন পকা ফল-মূলেৰে ভৰা আৰু পৰিপূৰ্ণ। বহুতো ঠাইত পকা ফল গছৰ পৰা সৰি পৰাত চৰাই-চিৰিকটিয়ে সেইবোৰ খাবলৈ আহি সুন্দৰ দৃশ্য আৰু লগতে পৰিপূৰ্ণতা ব্যক্ত কৰিছে। ল'ৰাকেইজনৰ কথা শুনাৰ পিচত বাপেকে তেওঁলোকক উদ্দেশি ক'লে— তোমালোকে প্ৰত্যেকেই শুদ্ধ, কাৰণ

**যেনেদৰে গোটেইকেইটা ঋতুৰ সমন্বয়তহে এটা বছৰৰ বিষয়ে ক'ব পাৰি একেদৰে সকলো কথা জুকিয়াই লৈ বিচাৰ কৰিহে কোনো সিদ্ধান্তত উপনীত হ'লেহে অনুষ্ঠান-প্ৰতিষ্ঠান, উদ্যোগ বা সমাজ সুচাৰুৰূপে, সুচলভাৱে গতি কৰিব পাৰে।**



তোমালোকে হাবিখন মাত্ৰ এটা নিৰ্দিষ্ট সময়তহে দেখিছা। হাবিখনক কেৱল এটা ঋতু বা সময়ৰ হিচাপত ব্যাখ্যা কৰিলে বা judge কৰিলে নহ'ব। একেদৰে এজন মানুহক বা মানুহৰ সমষ্টিক কেৱল এটা ঘটনা বা পৰিঘটনাৰ ওপৰত ভাল-বেয়া, efficient-inefficient, honest-dishonest ইত্যাদি বুলি সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। যেনেদৰে গোটেইকেইটা ঋতুৰ সমন্বয়তহে এটা বছৰৰ বিষয়ে ক'ব পাৰি একেদৰে সকলো কথা জুকিয়াই লৈ বিচাৰ কৰিহে কোনো সিদ্ধান্তত উপনীত হ'লেহে অনুষ্ঠান-প্ৰতিষ্ঠান, উদ্যোগ বা সমাজ সুচাৰুৰূপে, সুচলভাৱে গতি কৰিব পাৰে। এজন ভাল মেনেজাৰ হ'বলৈ up-down, joy-sorrow, profit-loss সকলো অৱস্থাতে নিজকে balance কৰি ৰাখি mission আৰু goal ত উপনীত হ'ব পাৰিব লাগিব। ■